হে আব্বাছ, হে ৰাছুলৰ খুৰা! আল্লাহৰ ওচৰত আখিৰাত আৰু দুনিয়াৰ নিৰাপত্তা কামনা কৰক।

আব্বাছ বিন আব্দুল মুত্তালিব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ "মই ক'লোঁ◌ঃ হে আল্লাহৰ ৰাছুল! মোক এনেকুৱা কিবা শিকাওক যিটো মই সৰ্বশক্তিমান
আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিম। তেখেতে ক'লেঃ "আল্লাহৰ ওচৰত নিৰাপত্তা কামনা কৰক।" কিছুদিন পিছত মই আকৌ আহিলোঁ আৰু ক'লোঁ◌ঃ হে আল্লাহৰ ৰাছুল! মোক এনেকুৱা কিবা শিকাওক যিটো মই আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিম। তেতিয়া তেখেতে মোক ক'লেঃ "হে আব্বাছ,
হে ৰাছুলৰ খুৰা! আল্লাহৰ ওচৰত আখিৰাত আৰু দুনিয়াৰ নিৰাপত্তা কামনা কৰক।"
[ছহীহ লি গাইৰিহ] [(তিৰমিজী, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ খুৰা আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এটা দুআ শিকিব বিচাৰিলে যিটোৰ দ্বাৰা তেওঁ আল্লাহৰ ওচৰত দুআ কৰিব। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক দুনিয়া আৰু আখিৰাতৰ অনিষ্ট তথা বিপদ-আপদৰ পৰা নিৰাপত্তা বিচাৰি দুআ কৰিবলৈ শিকালে। আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ কিছু দিন পিছত মই আকৌ গ'লোঁ তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ যে, মোক এটা দুআ শিকাওক, যাতে মই সেইটোৰে আল্লাহৰ ওচৰত দুআ কৰিব পাৰোঁ। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক চেনেহৰ সৈতে মাতি ক'লে, হে আব্বাছ, ৰাছুল্লাহৰ খুৰা! সকলো প্ৰকাৰ অনিষ্টৰ পৰা আল্লাহৰ ওচৰত নিৰাপত্তা কামনা কৰক, লগতে দুনিয়া আৰু আখিৰাতৰ কল্যাণ কামনা কৰক।

http://www.sunnah.global/hadeeth/as/show/2932